# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-10-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰে কালি মুম্বাইত খালীস্তানী সন্ত্ৰাসবাদী সমস্যা সন্দৰ্ভত আলোচনা কৰে।

২। বিহাৰ বিধানসভা নিৰ্বাচনৰ ১২১টা সমষ্টিৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব।

৩। আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনা আৰু মাহ জাতীয় শস্য অভিযানত আত্মনিৰ্ভৰশীলতাৰ দৰে পদক্ষেপ লোৱা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু আমেৰিকা ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক ঐতিহাসিক গাজা শান্তি পৰিকল্পনাৰ সফলতাৰ বাবে অভিনন্দন জনাইছে।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰে কালি মুম্বাইত খালীস্তানী সন্ত্ৰাসবাদী সমস্যা সন্দৰ্ভত আলোচনা কৰে। ষ্টাৰমাৰৰ ভাৰত ভ্ৰমণ সম্পৰ্কে অনুষ্ঠিত এখন বিশেষ সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে এই বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে গণতান্ত্ৰিক সমাজত সন্ত্ৰাসবাদ তথা হিংসাত্মক কাৰ্যকলাপৰ কোনো স্থান নাথাকে বুলি সজোৰে উল্লেখ কৰাৰ বিষয়ে বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে মানচেষ্টাৰৰ এটা প্ৰাৰ্থনা গৃহৰ সমীপত হোৱা আক্ৰমণৰ ঘটনাত গভীৰ শোকপ্ৰকাশ কৰে। ভাৰতে ইয়াৰ পূৰ্বেও ব্ৰিটেইনত খালীস্তানী সন্ত্ৰাসবাদীৰ উপস্থিতিত গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল। চলিত বছৰৰ আৰম্ভণিতে খালীস্তানী গুণ্ডাবাহিনীয়ে বিদেশ মন্ত্ৰী এছ জয়শংকৰৰ এটা অনুষ্ঠানৰ সময়ত লণ্ডনৰ ছান্থাম হাউছৰ বাহিৰত ভীষণ হুলস্থূলীয়া পৰিস্থিতি সৃষ্টি কৰিছিল। বিদেশ সচিবগৰাকীয়ে কয়, যে শ্ৰীমোদী আৰু ষ্টাৰমাৰে সন্ত্ৰাসবাদ তথা যিকোনো প্ৰকাৰৰ হিংসাত্মক কাৰ্যকলাপক কঠোৰ ভাষাৰে নিন্দা কৰাৰ লগতে ইয়াৰ বিৰুদ্ধে প্ৰতিৰোধী ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণকো তীব্ৰভাৱে গৰিহণা দিয়ে।

০০০০০

ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ ঐতিহাসিক মুক্ত বাণিজ্য চুক্তিয়ে বিকশিত ভাৰতৰ দৰ্শনক অধিক শক্তিশালী কৰিব বুলি বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে। মুম্বাইত এখন সংবাদমেলত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰৰ প্ৰথম ভাৰত ভ্ৰমণৰ কথা উল্লেখ কৰি শ্ৰীমিশ্ৰিয়ে কালি কয়, যে প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত আলোচনাত মিলিত হয়। তেওঁ কয়, যে দুয়োগৰাকী নেতাই ব্ৰিটেইনৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ সৈতে মন বিনিময় কৰাৰ লগতে মুখ্য কাৰ্যবাহী সদস্য মঞ্চ আৰু গোলকীয় বিশ্ব প্ৰযুক্তি মহোৎসৱ ২০২৫ত ভাষণ দিয়ে। শ্ৰীমিশ্ৰিয়ে লগতে ভাৰতে সংশোধিত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ স্থায়ী সদস্য পদ লাভ কৰাৰ ক্ষেত্ৰত ব্ৰিটেইনৰ সমৰ্থন লাভ কৰিছে বুলি প্ৰকাশ কৰে।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে আজি জাননী জাৰি কৰা হ'ব। ইয়াৰ লগে লগে ৰাজ্যখনৰ ১২১টা বিধানসভা সমষ্টিৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। প্ৰাৰ্থীসকলে দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পাৰিব। নিৰ্বাচন আয়োগে মনোনয়ন কেন্দ্ৰসমূহৰ চৌপাশে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিবলৈ নিৰ্দেশ জাৰি কৰিছে। মনোননয় কেন্দ্ৰসমূহৰ ভিতৰত বাবে আশে পাশে ভিৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একোজন প্ৰাৰ্থীৰ সৈতে কেৱল ৩ খন বাহন আৰু প্ৰস্তাৱককে ধৰি নূন্যতম ৫ জন লোকক প্ৰৱেশৰ অনুমতি দিয়া হৈছে। সমগ্ৰ মনোনয়ন প্ৰক্ৰিয়া ভিডিঅ' কৰা হ'ব।

বিহাৰত প্ৰথম পৰ্যায়ত অহা ৬ নৱেম্বৰত পাটনা, দাৰভাংগা, মাধেপুৰা, ছহৰ্ছ, মুজাফফৰপুৰ, গোপালগঞ্জ, শিৱান, চৰন, বৈশালী, সমষ্টিপুৰা, বেগুচৰাই, লক্ষীচৰাই, মুংগৰ, শ্বেখপুৰা, নালন্দা, বক্সাৰ আৰু ভোজপুৰকে ধৰি উত্তৰ আৰু দক্ষিণ বিহাৰৰ জিলাসমূহত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৭ অক্টোবৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন দাখিল অন্তিম দিন। ১৮ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২০ অক্টোবৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০

আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনা আৰু মাহ জাতীয় শস্য অভিযানত আত্মনিৰ্ভৰশীলতাৰ দৰে পদক্ষেপ লোৱা হৈছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰতীয় কৃষি বিজ্ঞান প্ৰতিষ্ঠানৰ চৌহদৰ পৰা প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনা আৰু মাহ জাতীয় শস্য অভিযানত আত্মনিৰ্ভৰশীলতা অভিযান মুকলি কৰিব। দূৰদৰ্শনৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনাৰ অধীনত চৰকাৰে ১০০ খন কম শস্য উৎপাদিত জিলা চিনাক্ত কৰিব আৰু এই জিলাসমূহত উৎপাদন বৃদ্ধিৰ বাবে ব্যৱস্থা ৰূপায়ণ কৰিব। তেওঁ কয়, যে এনে জিলাসমূহৰ কৃষকসকলে জলসিঞ্চন আৰু ঋণৰ সুবিধা লাভ কৰিব। কম শস্য উৎপাদিত জিলাসমূহত উৎপাদন ক্ষমতা বৃদ্ধি হ'লে ৰাষ্ট্ৰীয় উৎপাদন বৃদ্ধি হোৱাৰ উপৰি কৃষকসকলৰ আয় বৃদ্ধি হ'ব বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে। ভাৰত মাহজাতীয় শস্য সৰ্বাধিক উৎপাদনকাৰী দেশ আৰু সৰ্বাধিক আমদানী কৰা দেশ বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয়, যে মাহজাতীয় শস্যৰ উৎপাদন আৰু ইয়াৰ খেতি কৰাৰ অঞ্চল বৃদ্ধি কৰাৰ বাবে এই অভিযান আৰম্ভ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু আমেৰিকা ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক ঐতিহাসিক গাজা শান্তি পৰিকল্পনাৰ সফলতাৰ বাবে অভিনন্দন জনাইছে।

প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা নিশা বেঞ্জামিন নেতান্যাহুৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰি এই পদক্ষেপৰ অধীনত হোৱা অগ্ৰগতিৰ প্ৰশংসা কৰে। তেওঁ বিশেষকৈ গাজাৰ জনসাধাৰণলৈ পৰ্যাপ্ত মানৱীয় সাহায্য প্ৰেৰণ আৰু  পণবন্দীসকলক মুকলি কৰি দিয়াৰ চুক্তিক অভিবাদন জনায়। শ্ৰীমোদীয়ে  সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিৰ কথা উল্লেখ কৰি কয়, যে বিশ্বৰ কোনো প্ৰান্ততে যিকোনো প্ৰকাৰৰ সন্ত্ৰাসবাদ গ্ৰহণযোগ্য নহয়।

শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ আন এটা বাৰ্তাত ঐতিহাসিক গাজা শান্তি পৰিকল্পনাৰ সফলতা সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতেও বাৰ্তালাপ কৰাৰ কথা উল্লেখ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ চলিত বাণিজ্য আলোচনাৰ দিশত উন্নত অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু অনাগত সময়ত দুয়ো পক্ষই এই দিশত ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে।

০০০০০

অযোধ্যা জিলাৰ পুৰা কালন্দৰ এলেকাত কালি সন্ধিয়া এটা অট্টালিকাৰ ছাদ ভাঙি পৰাৰ ফলত কমেও ৫ জন লোকৰ মৃত্যু হয়। অযোধ্যাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৌৰৱ গ্ৰোভৰে জনোৱা মতে, পাগলা ভাৰী গাঁৱৰ সমীপত নিৰ্মাণ কৰা অট্টালিকাটোৰ ছাদ ভাঙি পৰাৰ সময়ত গাঁওৰাসীয়ে বিস্ফোৰণৰ দৰে শব্দ হোৱা বুলি  প্ৰকাশ কৰিছিল। আৰক্ষীয়ে প্ৰাৰম্ভিক অনুসন্ধানৰ পাছত দুৰ্ঘটনা সংঘটিত স্থানত বহু বাচন-বৰ্তন চিটিকি পৰি থকাৰ প্ৰতি লক্ষ্য ৰাখি চিলিণ্ডাৰ বিস্ফোৰণৰ ফলতেই এই দুৰ্ঘটনা সংঘটিত হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সমাজ সংস্কাৰক বীৰ ছাৱৰকাৰৰ অতুলনীয় ত্যাগ সম্পৰ্কে আলোকপাত কৰি সমগ্ৰ ৰাষ্ট্ৰই তেওঁৰ আদৰ্শৰ পৰা প্ৰেৰণা গ্ৰহণ কৰিব লাগে বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি তেওঁ বীৰ ছাৱৰকাৰ সন্দৰ্ভত এখন উৰ্দু গ্ৰন্থ উন্মোচন কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই গ্ৰন্থই দেশ তথা বিশ্বজুৰি ব্যাপক ৰূপত ছাৱৰকাৰৰ আদৰ্শসমূহৰ বিষয়ে ৰাইজক অৱগত কৰিব। তদুপৰি প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰ হৃদয়ত থকা ৰাষ্ট্ৰীয় সংহতিৰ ভাৱনাকো অধিক শক্তিশালী কৰি তুলিব। তেওঁ উৰ্দু ভাষাৰ প্ৰসাৰৰ ৰাষ্ট্ৰীয় পৰিষদ এন চি পি ইউ এলৰ উদ্ভাৱনী কাৰ্যকলাপসমূহৰো শলাগ লয়।

০০০০০

আবুধাবিত অনুষ্ঠিত IUCN  বিশ্ব সংৰক্ষণ মহাসভাত আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতি সংৰক্ষণ সংঘ আৰু আন্তঃৰাষ্ট্ৰীয় নবীকৰণ যোগ্য শক্তি সংস্থাই এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে যুটীয়াভাৱে প্ৰকৃতি সংৰক্ষণৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ জৰিয়তে গ্ৰীণ হাউচ পৰিঘটনা হ্ৰাস পোৱাৰ লগতে জৈৱ বৈচিত্ৰও ৰক্ষা কৰাৰ প্ৰয়াস কৰা হ'ব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে চলিব নোৱাৰে বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে সন্ত্ৰাসবাদ আৰু বাণিজ্য তথা পানী আৰু তেজ একেলগে বব নোৱাৰে। অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছৰ সৈতে কালি কানবেৰাত হোৱা দ্বিপাক্ষিক আলোচনাত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ গভীৰ সাংস্কৃতিক সম্পৰ্ক আৰু উমৈহতীয়া গণতান্ত্ৰিক প্ৰমূল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰীসিঙে কয়, যে দুয়োখন দেশৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতাৰ বাবে প্ৰতিৰক্ষা সহযোগিতাও যথেষ্ট বৃদ্ধি পাইছে।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ২৫২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি তিনিটা উইকেট আৰু ৭টা বল বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ নাদিনে ডি ক্লাৰ্কে আকৰ্ষণীয় বেটিঙেৰে ৫৪টা বলত ৮৪ ৰান কৰে। ভাৰতৰ হৈ ক্ৰান্তি গৌড় আৰু স্নেহ ৰানাই দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে, ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৫১ ৰান সংগ্ৰহ কৰে। ৰিছা ঘোষে ৭৭টা বলত ৯৪ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ ক্লয়ি ট্ৰায়নে তিনিটা উইকেট লাভ কৰে। নাদিনে ডি ক্লাৰ্কক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**